www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, SEPTEMBER 29, 2024 ■ দেওবাৰ।। ১২ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬৭ Guwahati, Assam ।। মূল্যঃ এটকা

## মনেশ্বৰ মৰাণক অমৰ মৃতক ঘোষণা

**ই-সংবাদ, ২৮ ছেপ্টেম্বৰঃ** এদিন হঠাতে তেওঁ বিদ্ৰোহী হৈ উঠিছিল। তজবজীয়া ডেকা হৈ ২ পৃষ্ঠাত চাওক

দেওবাৰ বিশেষ...

## ভয় নকৰিব! এআই চিকিৎসক আহি আছে

■ পূজা ভৰদ্বাজ, মুম্বাই

**এতিয়া কেৱল** ভাৰ্চুৱেল জগতত সীমাবদ্ধ হৈ থকা নাই কৃত্ৰিম বুদ্ধিমত্তা বা এআই। এইবাৰ এআইক লগত লৈ বিকশিত ভাৰত অভিযানৰ অধীনত বৃহৎ প্ৰচেষ্টা চলোৱা হৈছে চিকিৎসা খণ্ডকো শক্তিশালী কৰাৰ। উল্লেখ্য যে, মুম্বাই বিশ্ববিদ্যালয়ে শেষাংশ ৪ পৃষ্ঠাত

### বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন

## বৈঠকলৈ নিমন্ত্ৰণ নাপাই ক্ষোভ উজাৰিলে যুৱ-ছাত্ৰ পৰিষদে



**ই-সংবাদ, ২৮ ছেপ্টেম্বৰঃ** অসম চুক্তিৰ ছয় নং দফাক লৈ বিপ্লৱ কুমাৰ শৰ্মা নেতৃত্বাধীন উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ ৰাজ্য চৰকাৰে তৎপৰ হোৱাৰ সময়তে আছু আৰু অসম চকাৰৰ মাজত প্ৰথমলানি বৈঠক অনুষ্ঠিত হৈ যায়। এই বৈঠক অনুষ্ঠিত হৈ যোৱাৰ পাছতে অসমত ভিন ভিন জাতীয়-জনগোষ্ঠীয় শেষাংশ ৩ পৃষ্ঠাত



## ৩ ইউটিউবাৰক চিআইডিৰ জেৰা

**ই-সংবাদ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰঃ** অবৈধ ট্ৰেডিং কেলেংকাৰী পোহৰলৈ অহাৰ পূৰ্বে ইয়াৰ সৈতে জড়িত লোকসকল আৰু তেওঁলোকৰ অবৈধ ব্যৱসায়ৰ প্ৰমোশ্যন কৰি বহু লোকে ধন ঘটিছিল। শেষাংশ ২ পৃষ্ঠাত

### আদালতৰ নিৰ্দেশৰ পিছতে তৎপৰ আৰক্ষী, এজাহাৰত নাড্ডাৰো নাম

# কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ বিৰুদ্ধে নিৰ্বাচনী বণ্ডক লৈ গোচৰ ৰুজু




গোচৰ ৰুজুৰ পিছতে নিৰ্মলাৰ পদত্যাগৰ দাবীত কংগ্ৰেছৰ সমদল

**নতুন দিল্লী, ২৮ ছেপ্টেম্বৰঃ** বিপদত পৰিছে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা। নিৰ্বাচনী বণ্ডৰ জৰিয়তে ধন দাবী কৰাৰ অভিযোগত বিত্তমন্ত্ৰীগৰাকীৰ লগতে নাড্ডা আৰু কেইবাজনৰো বিৰুদ্ধে শেষাংশ ২ পৃষ্ঠাত

## হিজবুল্লাহৰ মুৰব্বী শেষ

**বেইৰুট, ২৮ ছেপ্টেম্বৰঃ** লেবাননত ইজৰাইলী সেনাৰ ধাৰাবাহিক আক্ৰমণে আতংকৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ ইজৰাইলৰ সেনাই প্ৰকাশ কৰা মতে, বেইৰুটত সংঘটিত কৰা আক্ৰমণৰ সময়তে মৃত্যু ঘটিছে লেবাননৰ ক্ষমতাসীন সশস্ত্ৰ সংগঠন হিজবুল্লাহৰ মুৰব্বী হাছান নাছৰল্লাহৰ। হিজবুল্লাহৰ ঘনিষ্ঠ সূত্ৰই সংবাদ সংস্থা এ এফ পিক জনোৱা মতে শুকুৰবাৰে নিশাৰে পৰা শেষাংশ ৪ পৃষ্ঠাত


## কোনো নগ'ল হাইক'টলৈ! আজিও কাটিব ইণ্টাৰনেট

**ই-সংবাদ, ২৮ ছেপ্টেম্বৰঃ** কেইহাজাৰমান লোকে চৰকাৰী সংস্থাপন পোৱাৰ স্বাৰ্থত লাখ লাখ লোকে আকৌ এবাৰ প্ৰায় ৮ ঘণ্টা ধৰি শেষাংশ ৪ পৃষ্ঠাত

## বাৰ্মিজ চুপাৰিৰ অবৈধ বেহা অব্যাহত, আমগুৰিত জব্দ ট্ৰাক

**ই-সংবাদ, শিৱসাগৰ, ২৮ ছেপ্টেম্বৰঃ** দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে আপোচ কৰা নহ'ব বুলি বাৰে বাৰে ঘোষণা কৰিলেও এই ঘোষণা কেৱল ভাষণতে সীমাবদ্ধ। এই কথাৰ প্ৰমাণ পোৱা গৈছে শিৱসাগৰ জিলাত। চুবুৰীয়া ম্যানমাৰৰ পৰা বৰাক উপত্যকা হৈ সমগ্ৰ দেশলৈ সৰবৰাহ হোৱা বাৰ্মিজ চুপাৰিৰ বিৰুদ্ধে অসমত নিষেধাজ্ঞা চলি আছে যদিও শিৱসাগৰত ধৰা পৰিছে বাৰ্মিজ চুপাৰি ভৰ্তি ট্ৰাক। শাসকীয় দলৰ প্ৰভাৱশালী নেতা-মন্ত্ৰীৰ নেতৃত্বত হাজাৰ হাজাৰ টন বাৰ্মিজ চুপাৰি কঢ়িয়াই অনা ট্ৰাক মোকলাই নিবলৈ এটা পক্ষই প্ৰয়াস কৰি থকাৰ অভিযোগ শেষাংশ ৩ পৃষ্ঠাত

### চালক-হেণ্ডিমেনক গ্ৰেপ্তাৰ কৰিয়েই আৰক্ষীয়ে সামৰিছে দায়িত্ব

# কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ বিৰুদ্ধে

প্ৰথম পৃষ্ঠাৰ পৰা...

এফআইআৰ ৰুজু কৰাৰ নিৰ্দেশ দিছে আদালতে। আদালতৰ নিৰ্দেশৰ পিছতে তিলক নগৰ আৰক্ষীয়ে নেতা দুগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। আদৰ্শ আয়াৰ নামৰ এজন ব্যক্তিয়ে কৰ্ণাটকৰ জনাধিকাৰ সংঘৰ্ষ সংগঠনৰ হৈ বাংগালুৰুৰ এখন আদালতত নিৰ্মলাৰ বিৰুদ্ধে দাখিল কৰিছিল আবেদন। ইয়াৰ পিছতে আদালতে এই নিৰ্দেশ প্ৰদান কৰে। ইফালে আদালতৰ এই নিৰ্দেশৰ পিছতে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ পদত্যাগৰ দাবী উত্থাপন কৰিছে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়াই। প্ৰণিধানযোগ্য যে, যোৱা ১৫ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ড আঁচনিখন 'অসাংবিধানিক' বুলি খাৰিজ কৰিছিল। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে ভাৰতীয় ষ্টেট বেংক আৰু নিৰ্বাচন আয়োগক বণ্ডৰ সৈতে জড়িত সকলো তথ্য প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিয়ে। সেই ৰায়দানত উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ড ব্যৱস্থাক 'কুইড প্ৰ' ক'' বুলি মন্তব্য কৰিছিল। অৰ্থাৎ কিবা এটাৰ বিনিময়ত কাৰোবাক সুবিধা দিয়াৰ ব্যৱস্থা হিচাপে দেখুওৱা হৈছিল। আবেদনকাৰীৰ দাবী হ'ল যে 'বিশেষাধিকাৰ'টো আচলতে এটা 'ঠগ'। সেয়ে তেওঁ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণকে ধৰি একাংশ লোকৰ বিৰুদ্ধে তদন্ত বিচাৰি বিশেষ জনপ্ৰতিনিধি আদালতৰ কাষ চাপে। আদালতে দুৰ্নীতি প্ৰতিৰোধ আইনৰ ১৭(ক) ধাৰাত এফআইআৰ ৰুজু কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকী আৰু আন অভিযুক্তক তিনি মাহৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈ কয়। মন কৰিবলগীয়া যে, নিৰ্বাচনী বণ্ডৰ সৈতে জড়িত তথ্য বিশ্লেষণত এই কথা স্পষ্ট হৈ পৰিছিল যে বেছিভাগ ক্ষেত্ৰতে কৰ্পৰেট সংস্থাসমূহে বণ্ডৰ জৰিয়তে শাসকীয় পক্ষক ধন দি সুবিধা লাভ কৰিছিল। কিন্তু এই আবেদন খাৰিজ কৰি উচ্চতম ন্যায়ালয়ে ২ আগষ্টত কয় যে নিৰ্বাচনী বণ্ডৰ জৰিয়তে দিয়া আৰু গ্ৰহণ কৰাৰ সময়ত অনুদানসমূহ 'কুইড প্ৰ' ক'' আছিল নে 'পক্ষপাতিত্বমূলক' আছিল সেই সন্দৰ্ভত এতিয়া অনুসন্ধান কৰিব নোৱাৰি। অভিযোগ উত্থাপন হৈছে যে নিৰ্বাচনী বণ্ডৰ জৰিয়তে যি তিনি ধৰণৰ বিত্তীয় লেনদেন পোহৰলৈ আহিছে, প্ৰকৃততে সেয়া ধন দাবী। এই তিনি প্ৰকাৰৰ বিত্তীয় লেনদেনৰ ভিতৰত প্ৰথমটো হ'ল ৱৰ্ক পাৰ্মিট, লাইচেন্স লাভৰ বাবে অনুদান। দ্বিতীয়তে, ইডি, আয়কৰ বিভাগ বা চিবিআইৰ অভিযানৰ ঠিক পূৰ্বে বহু সংস্থাই বণ্ড দান কৰিছিল। বহু ক্ষেত্ৰত সংশ্লিষ্ট সংস্থাটোৱে অনুদানৰ ওপৰত সঠিক নিয়ন্ত্ৰণ নকৰাৰ অভিযোগ উত্থাপন হৈছে। তৃতীয়তে, সংস্থাটোৰ অনুকূল নীতি সৃষ্টি কৰিবলৈ বণ্ডত অনুদান। উচ্চতম ন্যায়ালয়ত দাখিল কৰা ভাৰতীয় ষ্টেট বেংকৰ তথ্যৰ জৰিয়তে বহু কোম্পানীয়ে শাসকীয় দলক বণ্ডৰ জৰিয়তে ধন আগবঢ়াই অবৈধ সুবিধা লাভ কৰাৰ কথা পোহৰলৈ আহে। প্ৰসংগক্ৰমে উচ্চতম ন্যায়ালয়ে ইয়াক প্ৰত্যক্ষভাৱে 'অসাংবিধানিক' বুলি অভিহিত কৰিলেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী বণ্ডৰ বাবে যুক্তি আগবঢ়ায় আৰু দাবী কৰে যে নিৰ্বাচনত ক'লা ধনৰ ব্যৱহাৰ বন্ধ কৰিবলৈ এই ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। তেওঁ কৈছিল যে যদি সৎ চিন্তা-চৰ্চা হয় তেন্তে সকলোৱে এদিন অনুশোচনা কৰিব। বিৰোধী দলসমূহে নিৰ্বাচনী বণ্ডক লৈ মিছা প্ৰচাৰ চলোৱা বুলিও কয় মোদীয়ে। আনহাতে লোকসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কয় যে, নিৰ্বাচনী বণ্ড একেবাৰেই স্বচ্ছতাৰ কাৰ্যসূচী নহয়, বৰঞ্চ বিশ্বৰ আটাইতকৈ ডাঙৰ জালিয়াতিৰ চক্ৰ আৰু নৰেন্দ্ৰ মোদী ইয়াৰ মাষ্টাৰমাইণ্ড।

# মনেশ্বৰ মৰাণক অমৰ

প্ৰথম পৃষ্ঠাৰ পৰা...

থকা কালতে ঘৰৰ পৰা ওলাই গৈ অসমক স্বাধীন কৰাৰ সপোন দেখিছিল মানুহজনে। হাবি-জংঘলে ঘুৰি জাতিৰ হকে বিদ্ৰোহ কৰিছিল। ভাৰতীয় সেনাৰ বিৰুদ্ধে আলফাই ঘোষণা কৰাত যুদ্ধত সন্মুখত থাকি নেতৃত্ব দিছিল। কিন্তু এটা সময়ত সেনা-আৰক্ষীৰ মুৰৰ কামোৰণি হৈ পৰা মানুহজনক পংগু কৰা হ'ল। বাৰে বাৰে বেত্ৰাঘাত কৰাত মানুহজনৰ জীৱনটো দুৰ্বিসহ হৈ পৰিল। এটা সময়ত মানুহজনে সেই যুদ্ধৰ পৰা আতৰি আহিল। আজি যেন এটা অধ্যায়ৰ সমাপ্তি ঘটিল। মানুহজনৰ নাম আছিল মনেশ্বৰ মৰাণ। তিনিচুকীয়া জিলাৰ লক্ষীপথাৰৰ ডিমৰুহোলা গাঁৱৰ বাসিন্দা আছিল মনেশ্বৰ মৰাণ। মনেশ্বৰ মৰাণ আছিল আলফাৰ এজন আগশাৰীৰ কেডাৰ। নব্বৈৰ দশকত ঘৰ এৰা মনেশ্বৰ মৰাণে ইহলীলা সম্বৰণ কৰিছে। মনেশ্বৰ মৰাণক এক বিবৃতি যোগে আলফা স্বাধীনে অমৰ মৃতক ঘোষণা কৰিছে। আলফা দমনৰ নামত সেনাই চলোৱা পাশৱিক অত্যাচাৰৰ বিগত তিনিটা দশক আজীৱন অসুস্থ হৈ দিন পাৰ কৰিছিল মৰাণে। ১৯৯০ৰ অপাৰেচন বজৰঙৰ সময়ত সেনাই ঘৰৰ পৰা উঠাই নি অকথ্য নিৰ্যাতন চলাইছিল মৰাণক। সেইগৰাকী মনেশ্বৰ মৰাণক অমৰ মৃতক ঘোষণা কৰিছে আলফা স্বাধীনে। তেওঁৰ মৃত্যুত পূৰ্বৰ সতীৰ্থসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

# ৩ ইউটিউবাৰক চিআইডিৰ

প্ৰথম পৃষ্ঠাৰ পৰা...

বহু ইউটিউবাৰে কেলেংকাৰীত জড়িতসকলৰ অবৈধ ব্যৱসায়ৰ প্ৰমোচন কৰি বিভিন্ন প্ৰকাৰে সহায় কৰিছিল। ষ্টুডিঅ'ত বহুৱাই লৈ ব্যৱসায়ৰ চৰ্চা কৰিছিল। এই অভিযোগ দীৰ্ঘদিন ধৰি উত্থাপন হৈ আহিছে। ইপিনে চুমি বৰা আৰু বিশাল ফুকনৰ ট্ৰেডিং কেলেংকাৰীক লৈ ৰাজ্যজুৰি চাঞ্চল্য অব্যাহত আছে। বৰ্তমান চুমি-বিশাল আৰক্ষীৰ জিম্মাত যদিও চুমি-বিশালৰ হৈ প্ৰমোচন কৰা ইউটিউবাৰক এইবাৰ সোধ-পোছ কৰিছে অসম আৰক্ষীয়ে। ইতিমধ্যে চুমি-বিশালৰ গোচৰ চলাই থকা ডিব্ৰুগড় আৰক্ষীয়ে কেবাজনো ইউটিউবাৰক চমন জাৰি কৰিছে। চমন জাৰি কৰি তলৱ কৰাত কেবাজনো ইউটিউবাৰে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ লৰ দিবলগীয়া হৈছে। ইয়াৰে ভিতৰত আছে বিতৰ্কিত অৰয়ব ভূঞা, হিমাশ্ৰী শইকীয়াৰ লগতে সাংবাদিকতা এৰি ইউটিউবাৰ হৈ পৰা চক্ৰপাণি পৰাশৰ আদিৰ দৰে ইউটিউবাৰ। চিআইডিয়ে জাৰি কৰা চমনৰ ভিত্তিত ডিব্ৰুগড় সদৰ থানাত আজি পুৱা ১০ বজাত হাজিৰ হয় ৰাজ্যৰ এগৰাকী বিতৰ্কিত জ্যেষ্ঠ সাংবাদিকৰ পুত্ৰ অৰয়ৰ ভূঞা। ভূঞাক দীৰ্ঘ সময় সোধ-পোছ কৰে চিআইডিয়ে। সোধ-পোছৰ অন্তত সাংবাদিকৰে মুখামুখি হৈ আৰক্ষীয়ে বিশেষ একো সোধা নাই বুলি কৈ কেলেংকাৰীৰে জড়িতসকলক পডকাষ্টত কি কি প্ৰশ্ন কৰা হৈছিল, কিমান দীঘলীয়া আছিল অনুষ্ঠান সেইসমূহ কথাকে সোধা বুলি কয়। দিনৰ ১ বজাত ডিব্ৰুগড় সদৰ থানাত হাজিৰ হয় জাম্পিং স্পাইডাৰ ষ্টুডিঅ' নামৰ ইউটিউব চেনেল চলোৱা হিমাশ্ৰী শইকীয়া। হিমাশ্ৰীয়ে আৰক্ষীৰ সোধ-পোছৰ অন্তত সাংবাদিকৰ মুখামুখি হৈ কয় যে মোৰ সৈতে সাধাৰণভাৱেই কথা পাতিছে আৰক্ষীয়ে। সাক্ষাৎকাৰ কেতিয়া লৈছিল, কিমান দীঘলীয়া আছিল, টকা-পইচাৰ কিবা আলোচনা হৈছিল নেকি তেনে কথাকে সোধা বুলি কয়। হিমাশ্ৰীয়ে চুমিৰ বিয়াৰ আগত আৰু তেওঁৰ জীৱনৰ কথাহে পতা বুলি কয়। সাংবাদিক চক্ৰপাণি পৰাশৰে বিয়লি ৪ বজাত থানাত হাজিৰ হৈ সোধ-পোছৰ সন্মুখীন হয়। অবৈধ ট্ৰেডিং সম্পৰ্কীয় গোচৰ সন্দৰ্ভত সোধা-পোছাৰ বাবে আজি আৰক্ষীয়ে তলৱ কৰিছিল বিতৰ্কিত ইউটিউবাৰসকলক। তিনি ইউটিউবাৰৰ ভাষ্য গ্ৰহণ কৰি আৰক্ষীয়ে থানাৰ পৰা আহিবলৈ দিয়ে। চক্ৰপাণি পৰাশৰ, অৰয়ব ভূঞা আৰু হিমাশ্ৰী শইকীয়াই পডকাষ্টলৈ মাতিছিল চুমিক। তাৰ পাছতে পোহৰলৈ আহিছিল চুমি-বিশালৰ প্ৰায় ২ হাজাৰ কোটি টকীয়া কেলেংকাৰী। ডিব্ৰুগড় আৰক্ষীয়ে বিশালক গ্ৰেপ্তাৰ কৰাত ইউটিউবাৰসকলে অবৈধ ব্যৱসায়ৰ প্ৰমোচন কৰাৰ অভিযোগ উঠিছিল। তদন্তৰ আওতাত ইউটিউবাৰসকলক ল'বলৈ দাবী উঠিছিল। ইয়াৰ পিছতে আৰক্ষীয়ে ইউটিউবাৰসকলকো তদন্তৰ আওতালৈ আনে। উল্লেখ্য যে, অসমত শেহতীয়াকৈ বহু যুৱক-যুৱতীয়ে ইউটিউবৰ দৰে সামাজিক মাধ্যমত ভিডিঅ' সম্প্ৰচাৰ কৰি নিজৰ কেৰিয়াৰ গঢ়িবলৈ যত্নপৰ হৈ উঠা দেখা গৈছে। ইয়াৰে অধিকাংশই অতি সহজে জনপ্ৰিয়তা লাভ কৰি ধনৰ বাবে যিকোনো ব্যক্তিৰে সাক্ষাৎকাৰ গ্ৰহণ কৰি আহিছে। তাৰ মাজতে সংঘটিত ট্ৰেডিং কেলেংকাৰীয়ে এতিয়া এইসকল ইউটিউবাৰক ভালকৈয়ে এশিকনি দিছে বুলিও চৰ্চা চলিছে।

দ্বিতীয় পৃষ্ঠাৰ পৰা...

# বাৰ্মিজ চুপাৰিৰ অবৈধ বেহা

উত্থাপন হৈছে। অভিযোগ মতে, পূৰ্বৰ দৰেই ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ কাৰ্যকালত অবাধ হাৰত বাৰ্মিজ চুপাৰি ছিণ্ডিকেট অব্যাহত আছে। বিশেষকৈ শিৱসাগৰ জিলাৰ হালোৱাটিং, আমগুৰি, জাঁজীৰ ঘাইপথক কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰি ছিণ্ডিকেট চক্ৰই আৰক্ষী, কাষ্টম বিভাগক মেনেজ কৰি বাৰ্মিজ চুপাৰিৰ সৰবৰাহ অব্যাহত ৰাখিছে। কৰ ফাঁকিৰে বাৰ্মিজ চুপাৰিৰ ৰমৰমীয়া বেহা অব্যাহত আছে। ২৭ ছেপ্টেম্বৰৰ পুৱতি নিশা আমগুৰি আৰক্ষীয়ে পিবি-০২-ইকিউ-৮০০৩ আৰু পিবি-০৫-এআৰ-৪৯৩০ নম্বৰৰ দুখন ট্ৰাকসহিতে কুইন্টলে কুইন্টলে বাৰ্মিজ চুপাৰি জব্দ কৰে। জব্দকৃত ট্ৰাক দুখনত ৩৪ টনৰো অধিক বাৰ্মিজ চুপাৰি আছে বুলি জানিব পৰা গৈছে। পঞ্জাৱত পঞ্জীয়নকৃত ট্ৰাক দুখন জব্দ কৰাৰ উপৰিও ট্ৰাক দুখনৰ চালক আৰু হেণ্ডিমেনকো গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। চালক নিচান সিং, ৰাজেন্দ্ৰ সিং আৰু হেণ্ডিমেন গুলপিট সিং, হৰপাল সিঙক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। চালকে প্ৰদান কৰা ভাষ্য অনুসৰি প্ৰতিখন ট্ৰাকত কঢ়িয়াই অনা হৈছে ১৭ হাজাৰ কিলোগ্ৰামকৈ বাৰ্মিজ চুপাৰি। ৩০ ঘণ্টা পূৰ্বে ট্ৰাক দুখন জব্দ কৰা হৈছিল যদিও সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হোৱাতহে গোচৰ পঞ্জীয়ন কৰে আৰক্ষীয়ে। আৰক্ষীয়ে বাৰ্মিজ চুপাৰিখিনি জব্দ কৰি তদন্ত কৰিবলৈ বাধ্য হৈ পৰে। ট্ৰাকখনত কঢ়িয়াই অনা বাৰ্মিজ চুপাৰিখিনি বৈধ নে অবৈধ তাৰ তদন্ত আমগুৰি আৰক্ষীয়ে অব্যাহত ৰখাৰ সময়তে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। বাৰ্মিজ চুপাৰিখিনি আমগুৰি চহৰৰ সমীপৰ পৰা পশ্চিমবংগলৈ কঢ়িয়াই নি আছিল বুলি নথি-পত্ৰত উল্লেখ আছে। আমগুৰি তথা শিৱসাগৰত তেনে চুপাৰি উৎপাদন নহয়। আমগুৰি তথা শিৱসাগৰত বাৰ্মিজ চুপাৰি মজুতকৰণৰ গুদাম আছে। বাৰ্মিজ চুপাৰিখিনি নাগালেণ্ডত লোডিং কৰি তুলিব পৰা শিৱসাগৰৰ হালোৱাটিং আৰক্ষী থানা পাৰ হৈ আমগুৰি পোৱাৰ কথা স্পষ্ট হৈ পৰিছে। ট্ৰাক কেইখনে নাগালেণ্ডৰ তুলি পাৰ কৰি হালোৱাটিং হৈ আমগুৰিত প্ৰৱেশ কৰা দৃশ্য চিচি কেমেৰাত ধৰা পৰিছে। জিএছটি ফাঁকি দি বৃহৎ পৰিমাণৰ বাৰ্মিজ চুপাৰি বেহা চলাই আছে কেনেকৈ তাক লৈয়ো সন্দেহ ঘনীভূত হৈছে। বাৰ্মিজ চুপাৰি ভৰ্তি ট্ৰাক হালোৱাটিং আৰক্ষী থানা পাৰ হৈ আহিল কেনেকৈ সেই সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক ৰিতুমণি হাজৰিকাই। একাংশ আৰক্ষী বিষয়া আৰু কাষ্টম বিভাগৰ বিষয়াক মেনেজ কৰিয়েই ট্ৰাকে ট্ৰাকে বাৰ্মিজ চুপাৰি সৰবৰাহ কৰিবলৈ চিণ্ডিকেট চক্ৰ সক্ষম হোৱা বুলি অভিযোগ উঠিছে। আটক কৰা ট্ৰাক চালক, হেণ্ডিমেনক সোধপোছ কৰিয়েই দায়িত্ব সামৰা হৈছে বুলিও সংগঠনটোৱে অভিযোগ কৰে। তেওঁলোকক ভালকৈ জেৰা কৰিলেই সকলো স্পষ্ট হৈ পৰিব বুলি কয় ৰিতুমণি হাজৰিকাই। বাৰ্মিজ চুপাৰিৰ ৰমৰমীয়া বেহাৰ সৈতে উজনিৰ কোন কোন জড়িত সেইসকলক বিচাৰি উলিয়াবলৈকো আৰক্ষীক দাবী জনাইছে হাজৰিকাই। ইফালে, জব্দকৃত ট্ৰাককেইখন মোকলাই নিবলৈ এটা শক্তিশালী চক্ৰ উঠি-পৰি লগাৰো অভিযোগ উঠিছে। নাগালেণ্ডত বৰ্তমানেও বাৰ্মিজ চুপাৰি ভৰ্তি দহখনৰো অধিক ট্ৰাক ৰখাই থোৱা বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। উল্লেখ্য যে চুটাফুলা গেট হৈ লুংথুহৈ সৰবৰাহ হয় বাৰ্মিজ চুপাৰি। মাউ গেট হৈ উষাপুৰ, তুলি হৈ হালোৱাটিঙত প্ৰৱেশ কৰি জাঁজীক সংযোগ কৰে চুপাৰিৰ গাড়ীসমূহে। পিছত এই ট্ৰাকসমূহ শ্ৰীৰামপুৰ গেটেৰে অসমৰ সীমা পাৰ হৈ যায়। বাৰ্মিজ চুপাৰিৰ বেহাৰ সৈতে শাসকীয় দলৰ এগৰাকী নেতা আৰু জাতীয় সংগঠনৰ নেতা জড়িত হৈ পৰাৰো অভিযোগ উঠিছে। ৩৪ টন বাৰ্মিজ চুপাৰি কঢ়িয়াই অনা পঞ্জাৱৰ চালক-হেণ্ডিমেন কেইজনক আটক কৰিয়েই আৰক্ষীয়ে তদন্ত সামৰিব খোজা বুলিও অভিযোগ উত্থাপিত হৈছে। এনে পৰিপ্ৰেক্ষিতত উজনিৰ কোন নেতাই বাৰ্মিজ চুপাৰি পশ্চিমবংগলৈ সৰবৰাহৰ ছিণ্ডিকেট চলাই আছে সেয়া অসম আৰক্ষীয়ে পোহৰলৈ আনিব পাৰিবনে নাই তাক লৈয়ো সন্দেহ প্ৰকাশ কৰিছে সচেতন মহলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বৈঠকলৈ নিমন্ত্ৰণ নাপাই ক্ষোভ

সংগঠনৰ প্ৰতিনিধিক আমন্ত্ৰণ নজনোৱাত মৃদু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তাৰ মাজতে আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিনিধিক বৈঠকলৈ আমন্ত্ৰণ নজনোৱাত আক্ষেপ প্ৰকাশ কৰিছে সংগঠনটোৰ সভাপতি পলাশ চাংমাইয়ে। পলাশ চাংমাইয়ে ক্ষোভ জাহিৰ কৰি তেওঁলোকৰ সংগঠনৰ ক'বলগীয়াসমূহে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে কোৱা বুলি কয়। এই প্ৰতিবেদনত অন্তৰ্ভুক্ত হোৱা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিষ্ঠাকালৰ দাবী আন্তঃৰাজ্যিক পাৰপত্ৰৰ দাবী পূৰণ কৰিব লাগিব বুলিও কয় চাংমাইয়ে। এটা কথাক অধিক গুৰুত্ব দিছে চাংমাই। সেয়া হৈছে এই প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ আৰু কাৰ্যকৰী কেন্দ্ৰীয় চৰকাৰে কৰক। অসম চৰকাৰে কাৰ্যকৰী কৰিম বুলি কোৱা কথাটো মানি ল'ব নোৱাৰি। এই তৎপৰতা যাতে ২০২৬ চনৰ বৈতৰণী পাৰ কৰিবলৈ কৰা নাই সেই কথাকো স্পষ্ট কৰিবলৈ কয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইয়ে এটা ভিডিঅ' সামাজিক মাধ্যমত শ্বেয়াৰ কৰি কয় যে সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত ছয় বছৰীয়া অসম আন্দোলন হৈছিল। এই আন্দোলনত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। চুক্তিৰ পৰৱৰ্তী পৰ্যায়ত গণ সংগ্ৰাম পৰিষদ ভংগ কৰা হ'ল। কিন্তু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে তেতিয়াৰ পৰা এতিয়ালৈকে অসমৰ সমাজ জীৱনত, জাতিৰ সংকট, প্ৰত্যাহ্বানৰ সময়ত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিবলৈ চেষ্টা কৰি আহিছে। শেহতীয়াকৈ ৰাজ্য চৰকাৰে অসম চুক্তিৰ ছয় নং দফাক লৈ গঠিত বিপ্লৱ কুমাৰ শৰ্মা নেতৃত্বাধীন সমিতিৰ প্ৰতিবেদন ৰাজহুৱা কৰিছে। আৰু চৰকাৰে আছুৰ সৈতে বৈঠকত বহিছে। ৰাজ্য চৰকাৰে নিজাববীয়াকৈ ৪০টা বিষয় কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যিহেতু অসমৰ আন্দোলনৰ সৈতে জড়িত থকা সংগঠন সেয়েহে চৰকাৰে এই আলোচনালৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কোনোবা এজন প্ৰতিনিধিক আমন্ত্ৰণ জনাব পাৰিলেহেঁতেন। আমাক আমন্ত্ৰণ জনোৱা নাই তাত কোনো কথা নাই, কিন্তু আমাৰ ক'বলগীয়া কথাখিনি আছুৰ জৰিয়তে বিপ্লৱ কুমাৰ শৰ্মা প্ৰতিবেদনক লৈ কৈছো। আমাৰ দাবী আন্তঃৰাজ্যিক পাৰপত্ৰ প্ৰদান। সেই দাবী বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা হৈছে। সেয়েহে আমি আছুক ধন্যবাদ জ্ঞাপন কৰিছো। আনহাতে অসমীয়া ভাষা বা মাধ্যমক লৈ চিন্তা জাহিৰ কৰি চাংমাইয়ে কয় যে ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰিবলগীয়া বিষয়কেইটাৰ ভিতৰত অসমীয়া ভাষা বা মাতৃভাষাক গুৰুত্ব দিব বুলি কোৱা হৈছে। যদি আইনখনক গুৰুত্ব দিয়া হ'লহেঁতেনে তেন্তে অসমীয়া ভাষাই গুৰুত্ব পালেহেঁতেনে। অফিচ-কাছাৰীত অসমীয়া ভাষা ব্যৱহাৰ কৰা নহয়। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ব্যৱহাৰ কৰা নহয়। বেংকলৈ গ'লে টকা উঠোৱা ফৰ্মখনো ইংৰাজীত থাকে। সাধাৰণ কেচিচি লোণ এটা ল'বলৈ গ'লে এশ পৃষ্ঠামানৰ চুক্তি কৰিবলগীয়া হয়। সেয়াও ইংৰাজীত থাকে। তাৰ বাবে অসমীয়া ভাষাটোক গুৰুত্ব দিয়া হওক। আনহাতে বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰে গঠন কৰা বুলি উল্লেখ কৰি যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইয়ে কয়, "বিপ্লৱ কুমাৰ শৰ্মাৰ সমিতি কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিছিল। প্ৰতিবেদনখনো কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব লাগিছিল। মুখ্যমন্ত্ৰী আৰু কেবিনেটে গ্ৰহণ কৰা কথাটো গ্ৰহণ কৰিব পৰা কথা নহয়। প্ৰতিবেদনখনক কেন্দ্ৰীয় চৰকাৰে গুৰুত্বসহকাৰে লোৱা নাই। এই কথা বিপ্লৱ কুমাৰ শৰ্মাই নিজেই কৈছে। যদি ভূমি, ৰাজনৈতিক, সংৰক্ষণ সম্পৰ্কীয় বিষয়সমূহক কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব নিদিয়ে অসমীয়াৰ সাংবিধানিক সুৰক্ষাৰ কথাটো ক'ৰবাত নহয় ক'ৰবাত আধৰুৱা হৈ ৰ'ব। কেন্দ্ৰীয় চৰকাৰে নিৰ্বাচনৰ সময়ত বহু কথাই কয়। 'কা' আন্দোলনৰ সময়ত বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদন দাঢ়ি-কমা সলনি নকৰাকৈ কাৰ্যকৰী কৰিব বুলি কৈছিল। কিন্তু চাৰে চাৰি বছৰে কেন্দ্ৰীয় চৰকাৰে প্ৰতিবেদন গ্ৰহণ কৰিবলৈ সময় উলিয়াব পৰা নাছিল। নিৰ্বাচনৰ সময়ত ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিম বুলি কয় কিন্তু তাৰ পিছত পাহৰি যায়।" যুৱ-ছাত্ৰ পৰিষদৰ নেতাগৰাকীয়ে দাবী কৰি কয় যে নিৰ্বাচনৰ আগতে ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা কৰা হওক। সংৰক্ষণৰ কাম নিৰ্বাচনৰ আগতে কৰিব লাগিব। যদি তেনে কৰা নহয় তেন্তে পুনৰ অসমীয়াই ভাবিবলৈ বাধ্য হ'ব যে নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ আকৌ এবাৰ অসমীয়া জাতিৰ আৱেগ-অনুভূতিৰ সৈতে খেলা কৰা হৈছে।

# কোনো নগ'ল হাইক'টলৈ!

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

নব্বৈৰ দশকৰ দৰে ইণ্টাৰনেটবিহীন সময় কটাবলগীয়াত পৰিব। দেওবাৰে পুনৰ ৰাজ্যজুৰি পুৱা ৮.৩০ৰ পৰা বিয়লি ৪.৩০ বজালৈ ইণ্টাৰনেট সেৱা কৰ্তন কৰাৰ কথা ঘোষণা কৰাৰ পিছতে এয়া স্পষ্ট হৈ পৰে। এডিআৰইৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষাৰ বাবে চৰকাৰৰ নিৰ্দেশত ইণ্টাৰনেট সেৱা বাতিল কৰাৰ কথা ঘোষণা কৰা হৈছে। ৰাজ্য চৰকাৰে এই সন্দৰ্ভত এক আনুষ্ঠানিক নিৰ্দেশনা প্ৰকাশ কৰিছে। এই অনুযায়ী প্ৰায় ৮ ঘণ্টা মোবাইল ইণ্টাৰনেট সেৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। কিন্তু ভইচ কল, মেছেজ আদি দিব পাৰিব আৰু ব্ৰডবেণ্ড সেৱা অব্যাহত থাকিব। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে এক নিৰ্দেশনাযোগে জানিবলৈ দিছে এই কথা। এডিআৰইৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষা সুকলে অনুষ্ঠিত কৰিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। তৃতীয় বৰ্গৰ স্নাতক এডিআৰইৰ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব ২৭খন জিলাৰ ৮২২টা পৰীক্ষা কেন্দ্ৰত। এই পৰীক্ষাত কাইলৈ ৭,৩৪০৮০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। স্নাতক পদত ৪,০৫৫ আৰু ৪১৭টা চালকৰ পদৰ বাবে অনুষ্ঠিত হ'ব নিযুক্তি পৰীক্ষা। শেহতীয়া এডিআৰই পৰীক্ষাত অ'এমআৰ ফাদিল আৰু তালাচীক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল যদিও ৰাজ্য চৰকাৰে নতুন এছঅ'পি প্ৰকাশ কৰিছে। স্মৰ্তব্য যে, ঝাৰখণ্ড চৰকাৰেও নিযুক্তি পৰীক্ষাৰ বাবে ইণ্টাৰনেট কৰ্তনৰ নিৰ্দেশ জাৰি কৰিছিল যদিও কেবাগৰাকী সচেতন লোক উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাত ন্যায়ালয়ে এই ডিজিটেল যুগত কোনো জৰুৰীকালীন পৰিস্থিতিৰ উদ্ভৱ নোহোৱা সত্বেও পৰীক্ষাৰ বাবে ইণ্টাৰনেট কৰ্তন কৰা কাৰ্যক তীব্ৰ সমালোচনা কৰিছিল। লগতে আদালতে তেনে জনবিৰোধী সিদ্ধান্ত পৰিহাৰ কৰিবলৈকো চৰকাৰক নিৰ্দেশ দিছিল। আদালতৰ নিৰ্দেশৰ পিছতে চৰকাৰে সেয়া বাতিল কৰিবলৈ বাধ্য হৈ পৰে। অসম চৰকাৰৰ ইণ্টাৰনেট কৰ্তনৰ সিদ্ধান্তক ছ'চিয়েল মিডিয়াত একাংশ লোকে সমালোচনা কৰিছে যদিও এতিয়ালৈকে চৰকাৰৰ এনে হঠকাৰী নিৰ্দেশনাৰ বিৰুদ্ধে কোনো লোকে ন্যায়ালয়ৰ দ্বাৰস্থ নোহোৱাত এইটো দেওবাৰেও পুনৰ লাখ লাখ লোক সমস্যাৰ সন্মুখীন হ'বলগীয়াত পৰিব। বিশেষকৈ মোবাইল এপ নিৰ্ভৰ জীৱিকাৰ সৈতে জড়িতসকল বাৰুকৈয়ে প্ৰভাৱিত হ'ব।

# হিজবুল্লাহৰ মুৰব্বী শেষ

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

নাছৰল্লাহৰ সৈতে যোগাযোগ হেৰাই গৈছে। দেশখনৰ সামৰিক মুখপাত্ৰ লেফটেনেণ্ট কৰ্ণেল নাদৱ শোষানীয়ে এক্সত ৬৪ বৰ্ষীয় হাছান নাছৰল্লাহৰ মৃত্যুৰ কথা ঘোষণা কৰিছে। উল্লেখ্য যে, হিজবুল্লাহে উত্তৰ ইজৰাইলত সংঘটিত কৰা ৰকেট আক্ৰমণৰ পিছতে প্ৰত্যুত্তৰ দি পূব আৰু দক্ষিণ লেবাননৰ হিজবুল্লাহৰ ঘাটিত আক্ৰমণ সংঘটিত কৰিছিল ইজৰাইলে। ইজৰাইলৰ জেট বিমানে নিশাটোৰ ভিতৰতে দক্ষিণ বেইৰুটৰ হিজবুল্লাহৰ দুৰ্গত বোমাবৰ্ষণ কৰি কেইবাটাও আৱাসিক অট্টালিকা ধ্বংস কৰি পেলায়। এই আক্ৰমণতে হিজবুল্লাহৰ মুৰব্বীজনৰো মৃত্যু ঘটা বুলি দাবী কৰি ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে এক বিবৃতিত কয় যে হাছান নাছৰল্লাহে আৰু বিশ্বক আতংকিত কৰিব নোৱাৰিব। প্ৰণিধানযোগ্য যে, উত্তৰ ইজৰাইলত ৰকেট নিক্ষেপ কৰাৰ দায়িত্ব হিজবুল্লাহে স্বাকীৰ কৰাৰ মাত্ৰ কেইঘণ্টামানৰ পিছতে এই প্ৰতিশোধমূলক আক্ৰমণ সংঘটিত হৈছিল। এনে এটা আক্ৰমণে ফাদি-১ ৰকেট ব্যৱহাৰ কৰি কিবুটজ কাব্ৰিক লক্ষ্য কৰি লৈছিল, যিটো হিজবুল্লাহে ইজৰাইলৰ "বৰ্বৰ" আগ্ৰাসনৰ বিৰুদ্ধে লেবাননক প্ৰতিৰক্ষাৰ বাবে বুলি দাবী কৰি আহিছিল। লক্ষণীয় যে, লেবাননৰ ছিয়া সমৰ্থকসকলৰ মাজত অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰিছিল হাছান নাছৰল্লাহে। ইজৰাইলৰ লেবানন আক্ৰমণৰ পিছত ২০০৬ চনত নাছৰল্লাহক হত্যা কৰা বুলি উৰাবাতৰি প্ৰচাৰ হৈছিল। কিন্তু কিছুদিন পিছতে পুনৰ আত্মপ্ৰকাশ কৰে ছিয়া নেতাগৰাকীয়ে। ইজৰাইলৰ আক্ৰমণত হিজবুল্লাহৰ দক্ষিণ ফ্ৰণ্টৰ অধিনায়ক আলী কাৰাকে আৰু হিজবুল্লাহৰ অন্যান্য সদস্যৰো মৃত্যু হয়। ইজৰাইলৰ এক বিবৃতিত কোৱা হৈছে যে, হিজবুল্লাহৰ সচিব প্ৰধান হিচাপে হাছান নাছৰল্লাহৰ ৩২ বছৰীয়া ৰাজত্বকালত তেওঁ বহু ইজৰাইলী সাধাৰণ নাগৰিক আৰু সৈনিকক হত্যা কৰাৰ লগতে হাজাৰ হাজাৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰিকল্পনা আৰু নিষ্পাদনৰ বাবে দায়ী আছিল। তেওঁ বিশ্বজুৰি বিভিন্ন জাতিৰ সাধাৰণ নাগৰিকক হত্যা কৰা সন্ত্ৰাসবাদী আক্ৰমণ পৰিচালনা আৰু নিষ্পাদনৰ দায়িত্বত আছিল। নাছৰল্লাহ আছিল কেন্দ্ৰীয় সিদ্ধান্ত গ্ৰহণকাৰী আৰু সংগঠনটোৰ কৌশলগত নেতা। প্ৰণিধানযোগ্য যে, লেবাননত ইজৰাইলৰ বোমা বিস্ফোৰণত ৭০০ৰো অধিক লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ১ লাখ ১৮ হাজাৰ লোক গৃহহীন হৈছে। ইজৰাইলৰ এই আক্ৰমণৰ ঘটনাক লৈ বিশ্বৰ ভিন্ন দেশে ভিন ভিন ধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

# ভয় নকৰিব! এআই চিকিৎসক

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ এআইৰ সহায়ত স্বাস্থ্য ব্যৱস্থাৰ সমতুল্য ডিজিটেল টুইন প্লেটফৰ্ম প্ৰস্তুত কৰি আছে। আশা কৰা হৈছে যে এই মঞ্চ ৰাইজৰ বাবে এক আশীৰ্বাদ হিচাপে প্ৰমাণিত হ'ব আৰু ইয়াৰ দ্বাৰা আগতীয়া তথ্য আৰু ৰোগ প্ৰতিৰোধ সকলো এআইৰ দ্বাৰা সম্ভৱ হ'ব। লক্ষণীয় যে, কেন্সাৰৰ দৰে অতি মাৰাত্মক ৰোগৰ কথা মনত ৰাখি কৃত্ৰিম বুদ্ধিমত্তাৰ আৰ্হি তৈয়াৰ কৰিছে মুম্বাই বিশ্ববিদ্যালয়ে। ইয়াৰ বাবে বিশ্ববিদ্যালয়খনে সকলো চিকিৎসালয়ৰ পৰা ৰোগৰ তথ্য সংগ্ৰহ কৰি আছে। জানিব পৰা মতে, সংগ্ৰহ কৰা ৰোগৰ নমুনা আৰু ৰোগৰ তথ্য বিশ্লেষণ কৰা হ'ব। এই কাম কৰা হৈছে নাচিক স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়, ৰাজ্যিক চিকিৎসা শিক্ষা বিভাগৰ লগতে জনস্বাস্থ্য বিভাগ আৰু মুম্বাই পৌৰ নিগমৰ সৈতে ব্যাপক সমন্বয়ত। টাটা কেন্সাৰ আৰু নানাৱতী আদি চিকিৎসালয়ৰ সহযোগত এই অভিযান আগবঢ়াই নিয়া হৈছে। প্ৰণিধানযোগ্য যে, মহাৰাষ্ট্ৰত জনস্বাস্থ্য বিভাগৰ ৫০৯ খন চিকিৎসালয় আছে। এই হাস্পতালসমূহত প্ৰায় ৩.৫ কোটি ৰোগীক অ'পিডিত চিকিৎসা কৰা হয়, আনহাতে ২৫ লাখৰো অধিক ৰোগীয়ে চিকিৎসালয়ত ভৰ্তি হৈ চিকিৎসা লাভ কৰে। এনে সকলো ৰোগীৰ তথ্যৰ সহায়ত এআই আৰ্হি প্ৰস্তুত কৰা হ'ব। এই আৰ্হি প্ৰস্তুত কৰিবলৈ দুবছৰ পৰ্যন্ত সময় লাগিব পাৰে। এই সন্দৰ্ভত মুম্বাই বিশ্ববিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন বিভাগৰ সঞ্চালক ড০ ফাৰুক কাজীয়ে কয়, "কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত চিকিৎসাৰ মাচুল আধাতকৈ অধিক হ্ৰাস কৰিব পাৰি। মুম্বাই বিশ্ববিদ্যালয়ৰ ভিতৰতো এআই মডেল সন্দৰ্ভত এখন কমিটী গঠন কৰা হৈছে। আমি সমগ্ৰ দেশ আৰু বিদেশৰ পৰা যিমান পাৰি বাস্তৱিক তথ্য সংগ্ৰহ কৰি আছো।" উল্লেখ্য যে, ৰোগ ধৰা পেলোৱাৰ পৰা চিকিৎসালৈকে প্ৰতিটো প্ৰক্ৰিয়া সহজ আৰু কম খৰচী কৰি তোলা এই এ আই মডেলটো প্ৰথমে মহিলাৰ স্তন আৰু জৰায়ুৰ কৰ্কট ৰোগৰ দৰে গুৰুতৰ ৰোগৰ বাবে ব্যৱহাৰ কৰা হ'ব। মুম্বাই বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তিৰ মুৰব্বী ড০ আৰ শ্ৰীৰৰমংগাই কয় যে এই আই আৰ্হিৰ উদ্দেশ্য হৈছে প্ৰথমে সেই গ্ৰাম্য অঞ্চলত চিকিৎসা ব্যৱস্থা সহজ কৰি তোলা, য'ত ডাক্তৰ, চিকিৎসালয়ৰ দৰে সা-সুবিধা নাই। এই অভিযানৰ নাম দিয়া হ'ব 'স্বাস্থ্য মহিলা সবল ভাৰত'। এই প্ৰকল্পৰ বাবে প্ৰাৰম্ভিক আৰ্থিক সাহায্য লাভ কৰিছে প্ৰধানমন্ত্ৰী-উষাৰ পৰা। মন কৰিবলগীয়া যে, বহু লোকে ডাক্তৰৰ ওচৰলৈ যোৱা, বহু ব্যয়বহুল টেষ্ট আৰু তাৰ পিছত চিকিৎসাৰ বাবে বৃহৎ পৰিমাণৰ বিল পৰিশোধ কৰি গোটেই জীৱন পাৰ কৰে। বহু ৰোগীয়ে খৰচৰ ভয়ত ৰোগকে আওকান কৰি থাকে। কিন্তু যদি মুম্বাই বিশ্ববিদ্যালয়ৰ কৃত্ৰিম বুদ্ধিমত্তাৰ আৰ্হি অভিযান সফল হয় তেন্তে ই স্বাস্থ্য ব্যৱস্থাৰ বাবে এক ডাঙৰ আশীৰ্বাদ হিচাপে প্ৰমাণিত হ'ব। এইখিনিতে আন এটা কথাও চমুকৈ কৈছো। স্বাস্থ্যৰ কথা ক'লেই প্ৰতিজন ব্যক্তিৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰে ৰোগ নিৰ্ণয় আৰু চিকিৎসা পদ্ধতি নিৰ্ণয় কৰাত পৰীক্ষাগাৰৰ ৰিপ'ৰ্ট। কিন্তু, আপুনি কেতিয়াবা ভাবিছেনে যে এই প্ৰতিবেদনসমূহ কিমান সঠিক আৰু ইয়াক কিমান বিশ্বাস কৰিব পাৰি? ৰুটিন তেজৰ পৰীক্ষা হওক বা ডাঙৰ পৰীক্ষা হওক, বেছিভাগ মানুহেই লেবৰ ৰিপৰ্ট চকুমুদি বিশ্বাস কৰে। কিন্তু, পৰীক্ষাৰ পদ্ধতিকে ধৰি বহুতো কাৰকে পৰীক্ষাৰ ফলাফলত প্ৰভাৱ পেলাব পাৰে। অনাগত দিনবোৰত এই পৰীক্ষাবোৰো এআইয়ে সুচাৰুৰূপে কৰি মানৱীয় ক্ৰুটিসমূহৰ পৰা আমাক ৰক্ষা কৰিব বুলি আশা কৰিব পাৰি।

# চৰকাৰৰ বৰঘৰতেই দুৰ্নীতি, মন্ত্ৰী যোগেন মহন, সঞ্জয় কিষানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী

## কেলেংকাৰিৰ চিবিআই তদন্তৰ দাবী মনোজ ধানোৱাৰৰ

**ই-সংবাদ, গুৱাহাটী, ২৮ ছেপ্টেম্বৰঃ** জনতা ভৱনৰ পৰাই চলিছে দুৰ্নীতিৰ বেহা। মন্ত্ৰী সঞ্জয় কিষাণ আৰু যোগেন মহনৰ কাৰ্যালয় জড়িত হৈ আছে ২৫০ কোটি টকাৰ ভুৱা ৱৰ্ক অৰ্ডাৰ প্ৰস্তুতৰ বিশাল কেলেংকাৰিত। কিন্তু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰহস্যজনক ভাৱে বৰ্তমানলৈকে মন্ত্ৰী দুগৰাকীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। " এই অভিযোগ আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰৰ । ভুৱা ৱৰ্ক অৰ্ডাৰ কেলেংকাৰিত জড়িত থকাৰ অভিযোগত ইতিমধ্যে প্ৰদেশ বিজেপিৰ অনুসূচীত জাতি কোষৰ এগৰাকী শীৰ্ষস্থানীয় নেতা অসীম কুমাৰ দাস, বিৰিঞ্চি বৰকটকী নামৰ এগৰাকী অৱসৰপ্ৰাপ্ত বিষয়া, মন্ত্ৰী যোগেন মহনৰ ব্যক্তিগত সচিব মন্মথ দাস আৰু পিয়ন প্ৰফুল্ল ডেকাক গ্ৰেপ্তাৰ কৰিছে। আমাৰ প্ৰশ্ন - দুৰ্নীতিৰ সৈতে জড়িত বিজেপিৰ নেতা আৰু জনতা ভৱনত মন্ত্ৰীৰ নিৰ্দেশত কাম কৰা কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰি মন্ত্ৰী যোগেন মহনক ৰেহাই দিয়াৰ অন্তৰালত কি ৰহস্য লুকাই আছে? যিহেতু মন্ত্ৰীৰ কাৰ্যালয়ৰ পৰাই সংঘটিত হৈছে বৃহৎ দুৰ্নীতি, ইয়াত মন্ত্ৰী গৰাকী জড়িত নথকাৰ কোনো যুক্তি নাই। আমি আম আদমী পাৰ্টিয়ে মন্ত্ৰী যোগেন মহনকো তদন্তৰ আওতালৈ আনিবলৈ দাবী জনাইছোঁ। আনহাতে কেলেংকাৰি মাষ্টাৰ মাইণ্ড অসীম দাসে যিহেতু মন্ত্ৰী সঞ্জয় কিষানৰ বাসভৱন আৰু কনফাৰেঞ্চ হল ব্যৱহাৰ কৰি এই বিশাল কেলেংকাৰি সংঘটিত কৰিছে, ইয়াত মন্ত্ৰী সঞ্জয় কিষাণ ধোৱা তুলসীৰ পাত হৈ থাকিব নোৱাৰে। চৰকাৰৰ বৰঘৰত চলি থকা নিকৃষ্ট কৰ্ম কাণ্ড ৰোধ কৰিবলৈ মন্ত্ৰী সঞ্জয় কিষাণৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছোঁ। " আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰৰ অভিযোগ," ৰাজ্যত সংঘটিত এটাৰ পাছত আনটো বিয়াগোম দুৰ্নীতি তথা শাসক দলৰ মন্ত্ৰী বিধায়কৰ ভ্ৰষ্টাচাৰৰ বাবেই আজি উন্নয়ন স্থবিৰ হৈ পৰিছে । এনে অৱস্থাত ৰাজ্যবাসীৰ স্বাৰ্থত শেহতীয়া ভাৱে জনতা ভৱনৰ পৰা সংঘটিত হোৱা ভুৱা ৱৰ্ক অৰ্ডাৰ কেলেংকাৰিৰ চিবিআইৰ তদন্তৰ দাবী কৰিছোঁ। কাৰণ এই কেলেংকাৰিত জড়িত হৈ আছে শীৰ্ষস্থানীয় বিজেপি নেতা, জনতা ভৱনৰ বিষয়া-কৰ্মচাৰী, সাঙোৰ খাইছে দুগৰাকীকৈ মন্ত্ৰীৰ নাম, গ্ৰেপ্তাৰ হৈছে মন্ত্ৰীৰ সহায়ক। আনহাতে যি সময়ত অবিজেপি শাসিত ৰাজ্যসমূহত কেন্দ্ৰীয় চৰকাৰে হকে- বিহকে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআই অথবা ইডিক ব্যৱহাৰ কৰে, এতিয়া অসমত সংঘটিত এই বিয়াগোম কেলেংকাৰিৰ তদন্ত চিবিআইক গতাই দিয়ক। কাৰণ এই অনিয়মৰ সৈতে দুগৰাকীকৈ মন্ত্ৰীৰ কাৰ্যালয় তথা বহিঃৰাজ্যৰ প্ৰতিষ্ঠান জড়িত হৈ আছে। "



বিহালীত উপ নিৰ্বাচনৰ কুছ-কাৰাজ সাংসদ গৌৰৱ গগৈৰ

# ৰঙিয়াত ৰে'লগেট বন্ধ কৰাৰ বিৰোধিতাৰে ৰাজহুৱা প্ৰতিবাদী সভা

**ই-সংবাদ, ৰঙিয়া, ২৮ ছেপ্টেম্বৰঃ** ৰঙিয়া নগৰৰ এটি গুৰুত্বপূৰ্ণ পথত থকা বহু পুৰণি ৰেল গেট বন্ধ কৰাৰ বিৰোধিতাৰে শনিবাৰে ৰাজহুৱা প্ৰতিবাদী সভা অনুষ্ঠিত কৰা হয়। ৰঙিয়াৰ প্ৰাক্তন বিধায়ক অনন্ত ডেকা, ৰেল যাত্ৰী সংস্থাৰ সম্পাদক দিপংকৰ শৰ্মা, বিশিষ্ট চিকিৎসক ডাঃ ভৰত বৈশ্য প্ৰমুখ্যে আন কেবাগৰাকী সমাজ সচেতন লোকে সভাত অংশগ্ৰহণ কৰি উৰণীয়া সেঁতু নিৰ্মাণৰ নামত এছকে ১৪ ৰেল গেটটো হঠাৎ বন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰা ৰে'ল বিভাগৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই ৰে'ল গেটটোৰ সংযোগী পথটোত ৰঙিয়া ৰে'ল ষ্টেচনলৈ যোৱা মূল পথটো অৱস্থিত। ৰঙিয়া ৰে'ল ষ্টেচন সংযোগী পথটোৱে কেন্দ্ৰীয় বিদ্যালয়, নৱোদয় বিদ্যালয়, এম ই এছ, ৰেলৱে হস্পিটাল, জল্টিৰাম হাইস্কুলকে ধৰি বিভিন্ন শিক্ষানুষ্ঠান, হস্পিতাললৈ সৰ্বসাধাৰণ ৰাইজে যাতায়ত কৰি আহিছে। ৰে'ল কৰ্তৃপক্ষই গ্ৰহণ কৰা ৰেলগেট বন্ধৰ দৰে সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ বাবে উপস্থিত ৰাইজে সজোৰে দাবী উত্থাপন কৰে।

# জালুকবাৰী উঃমাঃ বিদ্যালয়ত কেৰিয়াৰ সজাগতা সভা

**ই-সংবাদ, ২৮ ছেপ্টেম্বৰঃ** অসম ডন বস্ক' বিশ্ববিদ্যালয় প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত আজি দিনৰ ৯ বজাত জালুকবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন কেৰিয়াৰ সজাগতা সভা অনুষ্ঠিত হয়। জালুকবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কমল কুমাৰ শৰ্মাই আঁতধৰা কেৰিয়াৰ সজাগতা সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্ক' বিশ্ববিদ্যালয় প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড০ বুলজিৎ বুঢ়াগোহাঁই আৰু সহকাৰী অধ্যাপক প্ৰাঞ্জল শৰ্মা। ড০ বুঢ়াগোহাঁয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত শিক্ষাৰ্থীসকলে আই.টি.আই.ৰ বিভিন্ন ট্ৰেড, পলিটেকনিকৰ তিনি বছৰীয়া ডিপ্লমাৰ বিভিন্ন পাঠ্যক্ৰম আৰু উচ্চতৰ মাধ্যমিকত শাখা তথা বিষয় নিৰ্বাচন কেনেকৈ কৰিব লাগে সেই বিষয়ে বিযদ বাখ্যা আগবঢ়ায়। ড০ বুঢ়াগোহাঁয়ে সমাজত পেশাৰ প্ৰতি থকা মনোভাৱৰ কথা লক্ষ্য কৰি কয় যে কামৰ কোনো সৰু বা ডাঙৰ ধাৰণা থাকিব নালাগে আৰু সকলো কামৰ মূল্য আছে। যিকোনো কাম কৰাত লাজ কৰিব নালাগে। কিয়নো সকলো পেশাতে সমাজৰ বাবে গুৰুত্বপূৰ্ণ অৱদান থাকে। লগতে তেওঁ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰবোৰত সাধাৰণ জ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে। শিক্ষাৰ্থীসকলে সাম্প্ৰতিক ঘটনা প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা আলোচনীৰ নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব বুলি উল্লেখ কৰে। সেইদৰে নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান শুনি আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰৰ পৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিবলৈ ড০ বুলজিৎ বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলক পৰামৰ্শ দিয়ে। কেৰিয়াৰ পৰামৰ্শদাতাগৰাকীয়ে শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ সমিধান আগবঢ়োৱাৰ লগতে প্ৰতি শনিবাৰে বিয়লি ৬ বজাৰৰ পৰা ৯ বজালৈ ফোনযোগে (৯৪৩৫১৮৮৬৩০) আগবঢ়োৱা কেৰিয়াৰ পৰামৰ্শৰ বিষয়েও অৱগত কৰে।

## হত্যাৰ সন্দেহত এজাহাৰ দাখিল পৰিয়ালৰ

# মৰিগাঁৱৰ কাঠনিৰ যুৱতীৰ স্বামীগৃহত ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া

**ই-সংবাদ, মৰিগাঁও, ২৮ চেপ্টেম্বৰ :** মৰিগাঁও জিলাৰ কাঠনি গাৱৰ এগৰাকী যুৱতী স্বামী গৃহত হঠাতে মৃত্যু হোৱা ঘটনাই অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।এই ঘটনাক এক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ কৰি যুৱতী গৰাকীৰ পৰিয়ালে নগাঁও জিলাৰ জাজৰী থানাত এক এজাহাৰ দাখিল কৰিছে।উত্থাপিত অভিযোগ মতে,মৰিগাঁও জিলাৰ কাঠনি নিবাসী পম্পী দাস নামৰ যুৱতী গৰাকী বিগত জুলাই মাহত নগাঁও জিলাৰ বগৰীগুৰি গাৱৰ প্ৰভাত দাসৰ লগত বিবাহপাশত আবদ্ধ হয় ।কিন্তু বিবাহৰ কিছুদিন পিছৰে পৰা স্বামী পৰিয়ালৰ একাংশ সদস্যৰ লগত পম্পীৰ মনোমালিন্য হোৱাৰ লগতে মাতবোল পৰ্যন্ত বন্ধ হৈ যায়।এনে পৰিৱেশৰ মাজতে যোৱা নিশা প্ৰায় চাৰে দহ বজাত পম্পীক শাৰিৰীক অসুস্থতাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা বুলি স্বামীগৃহৰ লোকে পিতৃগৃহৰ লোকক খবৰ দিয়ে। ইয়াৰ কেইঘণ্টামান পিছতে পম্পীৰ মৃত্যু হোৱা বুলি পম্পীৰ পিতৃগৃহৰ লোকক স্বামীগৃহৰ লোকে অৱগত কৰে।এই খবৰ লাভ কৰি পম্পীৰ পিতৃগৃহৰ লোকসকল চিকিৎসালয়ত উপস্থিত হৈ এয়া এক হত্যাকাণ্ড কাণ্ড বুলি সন্দেহ কৰে। এই সন্দেহৰ ভিত্তিত পম্পীৰ পৰিয়ালৰ লোকে জাজৰী থানাত এক এজাহাৰ দাখিল কৰে। আনফালে মৰণোত্তৰ পৰীক্ষাৰ অন্তত পম্পীৰ নশ্বৰ দেহ স্বামী গৃহৰ পৰিৱৰ্তে পিতৃ গৃহলৈ আনি কাঠনিত শেষকৃত্য সম্পন্ন কৰা হয়।পম্পীক স্বামীৰ পৰিয়ালৰ লোকে কোনো ৰাসায়নিক দ্ৰব্য খুৱাই হত্যা কৰিছে বুলি পিতৃ পক্ষই আশংকা কৰিছে যদিও অধিক তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অহাৰ পিছতহে প্ৰকৃত তথ্য জানিব পৰা যাব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।




নেপালৰ ভয়ংকৰ বানৰ দৃশ্য

# নেপালত বান বিভীষিকা, ভূমিস্খলনত প্ৰাণ গ'ল ৫৯জনৰ

**কাঠমাণ্ডু, ২৮ ছেপ্টেম্বৰঃ** ধাৰাসাৰ বৰষুণৰ পিছতে নেপালত উদ্ভৱ হোৱা ভয়াবহ বান পৰিস্থিতি আৰু ভূমিস্খলনত মৃত্যুক সাৱটিছে ৫৯ জনকৈ লোকে। দেশখনৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে সদৰী কৰা মতে, এই বিভীষিকাময় দুৰ্যোগত আহত হৈছে ৩৬ জন লোক। বৃহস্পতিবাৰৰ পৰা নেপালৰ বহু অঞ্চলত ধাৰাসাৰ বৰষুণ হৈ আহিছে, যাৰ বাবে দুৰ্যোগ বিষয়াসকলে ক্ষন্তেকীয়া বানৰ সতৰ্কবাণী জাৰি কৰিছে। নেপাল আৰক্ষীৰ উপ-মুখপাত্ৰ বিশ্ব অধিকাৰীয়ে জনোৱা মতে, নেপালত অবিৰত বৰষুণৰ ফলত মৃত্যু হোৱা ৫৯ জন লোকৰ ভিতৰত কাঠমাণ্ডু উপত্যকাত ৩৪ জন লোকৰ মৃত্যু হৈছে। তেওঁ কয় যে বানত ৩৬ জন লোক আহতও হৈছে। তেওঁ লগতে জানিবলৈ দিয়া মতে, সমগ্ৰ দেশখনত এই বান আৰু ভুস্খলনত মুঠ ৪৪ জন লোক নিৰুদ্দেশ হৈ আছে। ইতিমধ্যে এহাজাৰো অধিক লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছে। এই ভয়াবহ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ শীৰ্ষ পৰ্যায়ৰ বিষয়াসকলৰ সৈতে এক জৰুৰী বৈঠকৰ আহ্বান কৰিছে নেপালৰ কাৰ্য্যবাহী প্ৰধানমন্ত্ৰী তথা নগৰ উন্নয়ন মন্ত্ৰী প্ৰকাশ মন সিঙে। আৰক্ষীয়ে সদৰী কৰা মতে, কাঠমাণ্ডুত বানত প্লাবিত হৈছে ২২৬ ঘৰ। আনহাতে এই বান পৰিস্থিতিৰ পৰা নিৰাসীকলক উদ্ধাৰৰ বাবে তিনি হাজাৰ সুৰক্ষা কৰ্মী মোতায়েন কৰা হৈছে।

# প্ৰাক্তন আলফা ঐক্য মঞ্চৰ শ্বহীদ ঘোষণা পত্ৰ প্ৰদান

**ই-সংবাদ, মৰিগাঁও, ২৮ চেপ্টেম্বৰ :** জাতীয় মুক্তি সংগ্ৰামত জৰিত হৈ মৃত্যু বৰণ কৰা অৰ্ধ শতাধিক শ্বহীদক আজি মৰিগাঁৱত স্মৰণ কৰে মৰিগাঁও জিলা প্ৰাক্তন আলফা ঐক্য মঞ্চই। উল্লেখ্য যে দীৰ্ঘদিনীয়া সশস্ত্ৰ সংগ্ৰামৰ পথ পৰিহাৰ কৰি চৰকাৰৰ লগত আলোচনা মাধ্যমে জটিল সমস্যাটো সমাধানৰ অৰ্থে সামাজিক জীৱন নিৰ্বাহ কৰা প্ৰাক্তন আলফা ঐক্য মঞ্চই অকালতে প্ৰাণ ত্যাগ কৰা সতীৰ্থ সকলক শ্বহীদ ঘোষণা কৰি আজি মৰিগাঁৱৰ অৰ্ধ শতাধিক শ্বহীদ পৰিয়ালক শ্বহীদ ঘোষণা পত্ৰ আনুষ্ঠানিক ভাবে বিতৰণ কৰে। মৰিগাঁও জিলা প্ৰাক্তন আলফা ঐক্য মঞ্চৰ সভাপতি ৰোহিন্দ্ৰ নাৰায়ণ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ঘোষণা পত্ৰ বিতৰণ সভাখন উদ্বোধন কৰে মাছৰ মুখ্য উপদেষ্টা বুবুমনি গোস্বামীয়ে। গোস্বামীয়ে ভাষণ প্ৰসংগত কয় সংগ্ৰামৰ ধাৰা পৃথক হলেও আমি নিজৰ মাতৃক ক্ষতি কৰা কোনো ধৰণৰ কাৰ্যত লিপ্ত থাকিব নালাগে।নিজৰ মাতৃক সন্মান আৰু শ্ৰদ্ধা কৰাত সকলোকে গুৰুত্ব দিবলৈ আহ্বান জনাই তেওঁ কয় চৰকাৰ আৰু প্ৰাক্তন আলফা ঐক্য মঞ্চৰ মাজত হৈ যোৱা চুক্তিত কি আছে কি নাই সেই সন্দৰ্ভত দৃষ্টি ৰাখিবলৈ প্ৰাক্তন আলফা ঐক্য মঞ্চৰ কৰ্মী সকলৰ প্ৰতি আহ্বান জনাই। মৰিগাঁও জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় পূৰ্বৰ সমস্যা আৰু বৰ্তমানৰ সমস্যাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। হিংসাৰ জৰিয়তে কোনো ধৰণৰ সমস্যা সমাধান নহয় বুলি উল্লেখ কৰি প্ৰাক্তন আলফা ঐক্য মঞ্চক চৰকাৰে প্ৰদান কৰা সুবিধা সমূহ লোৱাৰ লগতে মৃত্যু হোৱা সকলৰ পৰিয়াল সমূহৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাই। মৰিগাঁও জিলা মাছৰ সচিব মানিক নাথে আঁত ধৰা সভাখনত মাছৰ সচিব প্ৰধান লক্ষীপ্ৰসাদ ডেকা,প্ৰচাৰ সচিব তথা মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমনি নাথ,কৃষক সংঘৰ সভাপতি তুলসী ডেকা,নিৰ্যাতিত সদস্য দিগন্ত কুমাৰ নাথ,শ্বহীদ পৰিয়াল ঐক্য মঞ্চৰ সম্পাদক লাচিত ডেকাই প্ৰাক্তন আলফা ঐক্য মঞ্চই গ্ৰহণ কৰা পদক্ষেপক শলাগ লোৱাৰ লগতে অৰ্থনৈতিক ভাবে প্ৰাক্তন আলফা সকলক সকাহ দিয়াত গুৰুত্ব দিবলৈ কেন্দ্ৰীয় নেতৃত্বৰ প্ৰতি আহ্বান জনাই। মৰিগাঁও জিলা প্ৰাক্তন আলফা ঐক্য মঞ্চৰ কাৰ্যকৰী সভাপতি উদ্দীপ্ত নাথ,সম্পাদক সুনিল চন্দ্ৰ নাথ,শ্বহীদ পৰিয়াল ঐক্য মঞ্চৰ ফটিক শৰ্মাকে আদি কৰি উপস্থিত থকা সভাখনত প্ৰায় ৬০ গৰাকীৰ ভিতৰত ৪২ জন শ্বহীদৰ পৰিয়ালক শ্বহীদ ঘোষণা পত্ৰ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে শ্বহীদ সকলক স্মৰণ কৰে।



বিহপুৰীয়াত ৰাইজৰ মাজত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা

# নতুন খচৰাক লৈ ৰাইজৰ প্ৰতিবাদ

**ই-সংবাদ, মৰিগাঁও, ২৮ছেপ্টেম্বৰঃ** মৰিগাঁও জিলাৰ মায়ঙত পঞ্চায়ত এলেকাৰ নতুনকৈ প্ৰকাশিত খচৰাক কেন্দ্ৰ কৰি আজি বিতুষ্ট ৰাইজৰ তীব্ৰ প্ৰতিবাদত উত্তাল হৈ পৰে পাভকাতিৰ ৰাজপথ। প্ৰাপ্ত তথ্য মতে পাভকাতি পঞ্চায়তৰ পৰা ৪ খনকৈ গাঁও কৰ্তন কৰি কুৰানীবৰীলৈ স্থানান্তৰ কৰাৰ পৰিপ্ৰেক্ষিত বিক্ষুদ্ধ হৈ পৰে বৃহত্তৰ অঞ্চলটোৰ গৰিষ্ঠ সংখ্যক জনসাধাৰণ। জিলাখনৰ জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত পাভকাতি গাঁও পঞ্চায়ত এলেকাৰ পাতেকীবৰী (ক), পাতেকীবৰী (খ), সিধাগুৰি (ক) আৰু সিধাগুৰি (খ) ভোটকেন্দ্ৰৰ পৰা ৪,৮০০ ভোটাৰ ৰাইজক সদ্য প্ৰকাশিত খচৰা মতে কৰ্তন কৰা হৈছে।

## যোৰহাট-মাজুলী দলঙৰ কামক লৈ বিধায়ক ভুৱন গামৰ সংবাদমেল

# দলঙৰ উপ ঠিকা লাভ কৰা প্ৰতিষ্ঠানে এৰিব দলং নিৰ্মাণৰ কাম

**ই-সংবাদ, মাজুলী, ২৮ ছেপ্টেম্বৰঃ** মাজুলীৰ বিধায়ক ভুৱন গামে আজি যোৰহাট- মাজুলী সংযোগী দলং প্ৰসংগত এক সংবাদমেল সম্বোধন কৰে।সংবাদমেলত মাজুলীৰ বিধায়ক গৰাকীয়ে পোনপটীয়াকৈ যোৰহাটৰ সাংসদ গৌৰৱ গগৈক আক্ৰমণ কৰি কয়-সাংবাদিকে ডাঙৰ মানুহ বুলি ভাবি থকা সাংসদজনে মাজুলী-যোৰহাট দলং প্ৰসংগত মুখ্যমন্ত্ৰীলৈ পত্ৰ ২৬ তাৰিখে দিছে। তেঁও ৫ তাৰিখৰ পৰা ২৬ তাৰিখলৈকে শুই আছিল নে কি বুলি সংবাদমেলৰ যোগেদি প্ৰশ্ন কৰে। বিধায়কগৰাকীয়ে আৰু কয়, কিছুমান কাকতত লিখিছে মাজুলী-যোৰহাট সংযোগী দলংখন বন্ধ হৈ থকা ২৬ দিন হৈ যোৱাৰ পাছত তেওঁ মুখ্যমন্ত্ৰীলৈ পত্ৰ দিয়াৰ বাবেহে হেনো মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীলৈ পত্ৰ লিখিছে। কাম বন্ধ হোৱা ২৬ দিনে টোপনি মাৰি আছিল সাংসদ জনে কিয়? সাংসদগৰাকীয়ে এই কথা জানিও দেশৰ প্ৰধানমন্ত্ৰী, কেন্দ্ৰৰ বিভাগীয় মন্ত্ৰী আৰু সংশ্লিষ্ট বিভাগলৈ চিঠি লিখা নাই এই পৰ্যন্ত। আমি যোগাযোগ কৰাৰ পাছত সাৰ পাইছে তেঁও। সাংসদ হিচাপে তেঁওৰ আন একো দায়িত্ব নাই নেকি বুলিও প্ৰশ্ন কৰে। বিধায়কগৰাকীয়ে কয়, মই ৯ ছেপ্টেম্বৰতেই দলংখনৰ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক পত্ৰযোগে দলঙৰ কাম বন্ধ হৈ থকা সন্দৰ্ভত জনাইছো আৰু আমাৰ মুখ্যমন্ত্ৰীক লগ কৰিও বিষয়টো জনাইছো। তেওঁ আমাক আশ্বাস দিছে দলং আমাৰ দিনত সম্পূৰ্ণ হ'ব, চিন্তা কৰিব নালাগে। সংবাদমেলত বিধায়কগৰাকীয়ে আৰু কয়, দলংখনৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰা নিৰ্মাণকাৰী প্ৰতিষ্ঠান লক্ষ্ণৌৰ ইউ পি ষ্টেট ব্ৰিজ কৰ্প'ৰেচন নামৰ কোম্পানীটোৱে বি আৰ চি নামৰ অসমৰ অন্য এটা কোম্পানীক ছাব কনট্ৰেক্ট হিচাপে কাম কৰিবলৈ দিছিল। কিন্তু এই কোম্পানীটোৱে এতিয়া কাম এৰি দিছে। গতিকে এই কোম্পানীটোৰ সলনি বেলেগ কোম্পানীক কাম দিব পাৰে। পুনৰ নিবিদা হোৱাৰ সম্ভৱনা কথা সংবাদমেলত অৱগত কৰে বিধায়কগৰাকীয়ে। মূল কোম্পানীয়ে কেনে পৰ্যায়ত কাম আৰম্ভ কৰে সেইটো অৱগত নহয় বুলি উল্লেখ কৰি শীঘ্ৰে যোৰহাট-মাজুলী সংযোগী দলঙৰ কাম আৰম্ভ হ'ব বুলি উল্লেখ কৰে। লগতে কয়, আজি মাজুলীৰ পৰা গুৱাহাটীলৈ গৈ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি পুনৰ দলঙৰ প্ৰসংগত আলোচনা কৰিব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে মাজুলীবাসীৰ বহু আকাংক্ষিত সপোনৰ প্ৰকল্প "মাজুলী-যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়ান দলংখন"ৰ নিৰ্মাণকাৰ্য অনাকাংক্ষিতভাৱে যোৱা ৫ ছেপ্টেম্বৰৰ পৰা বন্ধ হৈ যোৱাৰ পৰিপেক্ষিতত মাজুলীৰ সবত্ৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈয়ে আছে আৰু মাজুলীৰ বিভিন্ন দল-সংগঠনেও তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দলং নিৰ্মাণ কাৰ্য চলাই নিবলৈ দাবী উত্থাপন কৰি বিভিন্ন মহললৈ লিখিত আবেদন প্ৰেৰণ কৰিছে। মাজুলীবাসীৰ আৱেগ জড়িত এক যুগজয়ী সিদ্ধান্ত আৰু মাজুলীৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত উন্নয়ন সাধনৰ সময়ত হঠাৎ আহি পৰিছে উন্নয়নমূলক বাধা। যাৰ পৰিপ্ৰেক্ষিতত দলং নিৰ্মীয়মান সংস্থাই দলঙৰ কাম আধৰুৱা কৰি নিৰ্মাণথলীৰ পৰা সকলোবোৰ সা-সৰঞ্জাম , নিৰ্মাণ সামগ্ৰী, যন্ত্ৰপাতি এপদ এপদকৈ মাজুলীৰ পৰা উভতাই নি আছে। এই সন্দৰ্ভত মাজুলীৰ জনসাধাৰণৰ নিৰ্বাচিত জনপ্ৰতিনিধি হিচাপে বিধায়ক ভুৱন গামে নিজৰ স্থিতি আৰু কৰণীয় সন্দৰ্ভত সংবাদমেলৰ যোগেদি জানিবলৈ দিয়ে। লগতে আগন্তুক দিনত দলংখনৰ নিৰ্মাণ কাৰ্য আগুৱাই নিয়াৰ ক্ষেত্ৰত তেওঁৰ কৰণীয় সম্পৰ্কত অৱগত কৰে। আজিৰ এই সংবাদমেলত মাজুলী জিলা বিজেপিৰ সভাপতি বীৰেন শইকীয়াও উপস্থিত থাকে।





## উৎফুল্লিত বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্ব, বি এল সন্তোষৰ সন্তোষ

# ভাৰতৰ ভিতৰতে প্ৰথম অসম, ৫১লাখৰো অধিক সদস্যভৰ্তিৰে অভিলেখ

| Sr.No | AC Name | Forms Filled Completely |
|---|---|---|
| # | Total AC Covered - 126/126 (100%) | 50,09,953 |
| 1 | Jalukbari | 1,04,399 |
| 2 | Jagiroad (Sc) | 94,986 |
| 3 | Nalbari | 89,784 |
| 4 | Ram Krishna Nagar (Sc) | 70,732 |
| 5 | Rangia | 67,953 |
| 6 | Lakhipur | 67,445 |
| 7 | Patharkandi | 62,963 |
| 8 | Tingkhong | 61,538 |
| 9 | Dhekiajuli | 59,910 |
| 10 | Sadiya | 59,840 |
| 11 | Tihu | 59,010 |
| 12 | Sipajhar | 58,058 |
| 13 | Bajali | 58,030 |
| 14 | Palasbari | 57,493 |
| 15 | Sarupathar | 57,105 |
| 16 | Hojai | 56,853 |
| 17 | Barhampur | 56,837 |
| 18 | Nagaon - Batadraba | 56,364 |
| 19 | Kamalpur | 55,652 |

| Sr.No | AC Name | Forms Filled Completely |
|---|---|---|
| # | Total AC Covered - 126/126 (100%) | 50,09,953 |
| 20 | Lumding | 54,932 |
| 21 | Golaghat | 54,738 |
| 22 | Naharkatia | 54,690 |
| 23 | Silchar | 54,583 |
| 24 | Dhemaji (St) | 53,976 |
| 25 | Margherita | 52,889 |
| 26 | Sissiborgaon | 52,063 |
| 27 | Lakhimpur | 51,738 |
| 28 | Golakganj | 51,690 |
| 29 | Dhakuakhana (St) | 51,472 |
| 30 | Barchalla | 51,036 |
| 31 | Abhayapuri | 50,802 |
| 32 | Nazira | 50,757 |
| 33 | Morigaon | 50,365 |
| 34 | Dibrugarh | 49,981 |
| 35 | Barkhetri | 49,127 |
| 36 | Raha (Sc) | 48,703 |
| 37 | Guwahati Central | 48,700 |
| 38 | Bihpuria | 48,624 |

| Sr.No | AC Name | Forms Filled Completely |
|---|---|---|
| # | Total AC Covered - 126/126 (100%) | 50,09,953 |
| 39 | Diphu (St) | 47,974 |
| 40 | Demow | 47,945 |
| 41 | Bhowanipur - Sarbhog | 47,487 |
| 42 | Mangaldai | 47,351 |
| 43 | Goreswar | 46,262 |
| 44 | Majuli (St) | 46,056 |
| 45 | Khowang | 45,317 |
| 46 | Rangapara | 44,797 |
| 47 | Tinsukia | 44,766 |
| 48 | Khumtai | 44,621 |
| 49 | Dispur | 44,564 |
| 50 | Mahmora | 44,459 |
| 51 | Doomdooma | 44,333 |
| 52 | Jonai (St) | 44,260 |
| 53 | Gohpur | 43,610 |
| 54 | Chabua - Lahowal | 42,951 |
| 55 | Duliajan | 42,903 |
| 56 | Bokajan (St) | 42,438 |
| 57 | Naduar | 42,341 |

| Sr.No | AC Name | Forms Filled Completely |
|---|---|---|
| # | Total AC Covered - 126/126 (100%) | 50,09,953 |
| 58 | Howraghat (St) | 42,135 |
| 59 | Mariani | 41,933 |
| 60 | Digboi | 41,592 |
| 61 | Dholai (Sc) | 41,484 |
| 62 | Dimoria (Sc) | 41,320 |
| 63 | Katigorah | 41,279 |
| 64 | Dergaon | 41,135 |
| 65 | Sonari | 41,010 |
| 66 | Ranganadi | 40,951 |
| 67 | Hajo - Sualkuchi (Sc) | 40,836 |
| 68 | Bilasipara | 40,713 |
| 69 | Manas | 40,068 |

**ই-সংবাদ, ২৮ ছেপ্টেম্বৰঃ** অসমৰ নেতাই ইতিহাস ৰচনা কৰি উৎফুল্লিত কৰিছে বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বক। সমগ্ৰ দেশৰ ভিতৰত বিজেপিয়ে সদস্য ভৰ্তি অভিযানত সফল হৈছে অসম বিজেপি। যাৰ বাবে এতিয়া অসম বিজেপিক শলাগ লৈছে ৰাষ্ট্ৰীয় নেতাই। বিজেপিৰ সদস্য ভৰ্তি অভিযানত শীৰ্ষত আছে অসম। নিৰ্ধাৰিত লক্ষ্যৰ উপনীত হৈ অসম ৰাজ্যিক বিজেপিয়ে সদস্যৰ সংখ্যা ৫০ লাখ অতিক্ৰম কৰাইছে। ইমানে নহয় অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিহাস ৰচিছে। হিমন্ত বিশ্ব শৰ্মাৰ জালুকবাৰী বিধানসভা সমষ্টিত সদস্য ভৰ্তি অভিযান ৰাজ্যৰ সমষ্টিসমূহৰ ভিতৰত শীৰ্ষত আছে। তাৰ মাজতে বিজেপিৰ ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষে অসম বিজেপিক শুভেচ্ছা জ্ঞাপন কৰিছে। বি এল সন্তোষে কয় যে বিজেপিৰ সদস্যতা অভিযান-২০২৪ৰ দ্বিতীয় পৰ্যায়ত নিৰ্ধাৰিত লক্ষ্য অসম ৮৫ শতাংশ সম্পন্ন হৈছে। লগতে অৰুণাচল প্ৰদেশ ৬৫ শতাংশ আৰু ত্ৰিপুৰা লক্ষ্যৰ ৬০ শতাংশ, হাৰিয়ানা ৭৫ শতাংশ, মধ্য প্ৰদেশ ৭০ শতাংশ, গুজৰাট ৭০ শতাংশ, উত্তৰ প্ৰদেশ ৬৫ শতাংশ, উত্তৰাখণ্ড ৬৫ শতাংশ সম্পন্ন হৈছে। যাৰ বাবে অসম আৰু বাকী ৰাজ্যৰ নেতাসকল অভিনন্দন জনাই বি এল সন্তোষে। উল্লেখ্য যে অসমত বিজেপিৰ সদস্যৰ সংখ্যা ৫০ লাখ অতিক্ৰম কৰিছে। উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ আৰু গুজৰাটৰ দৰে বৃহৎ ৰাজ্যৰ দৰেই অসমত ৫০ লাখ সদস্য ভৰ্তি সম্পন্ন হৈছে। ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত ৬২টা সমষ্টিত সদস্য ভৰ্তিৰ সংখ্যা ৪০ হাজাৰৰ সংখ্যা অতিক্ৰম কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নেতা-কৰ্মীক শুভেচ্ছা জ্ঞাপন কৰি কয় যে অসমত বিজেপি সদস্য ভৰ্তি অভিযানে ৫১ লাখ মাইলৰ খুঁটি অতিক্ৰম কৰিছে। সদস্যৰ নামভৰ্তিৰ সংখ্যা ৪০ হাজাৰ অতিক্ৰম কৰা ৬২টা সমষ্টিত নিষ্ঠাবান কৰ্মকৰ্তাসকলক বিশেষ অভিবাদন।

# চৰাইবাহীৰ মহাবাহু এগ্ৰো ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, লাহৰীঘাট ২৮ ছেপ্টেম্বৰঃ** ভাৰত চৰকাৰৰ ১০ হাজাৰ এফপিচিৰ অন্তৰ্ভুক্ত মৰিগাঁও জিলাৰ চৰাইবাহীৰ মহাবাহু এগ্ৰো ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ বাৰ্ষিক সাধাৰণ  সভাখন আজি অনুষ্ঠিত হয়। চৰাইবাহী গাঁও পঞ্চায়ত সভাগৃহত মহাবাহু এগ্ৰো ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ অধক্ষ্য মানস নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে মহাবাহু এগ্ৰো ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া ডিবেন্দ্ৰ কুমাৰ হাজৰিকাই। সভাত মহাবাহু এগ্ৰো ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ বিগত বৰ্ষৰ প্ৰতিবেদন আৰু কোম্পানীৰ আয় ব্যয় খতিয়ান অংশীদাৰী কৃষক সকলৰ আগত দাঙি ধৰে। মহাবাহু এগ্ৰো ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ প্ৰায় দুই শতাধিক অংশীদাৰী কৃষক উপস্থিত থকা বাৰ্ষিক সাধাৰণ সভাখনত মহাবাহু এগ্ৰো এফপিচি ৰ সঞ্চালক ক্ৰমে কিশোৰ বৰদলৈ , দেৱ প্ৰসাদ খাটনীয়াৰ , জোনমণি দেৱী , অনুত নাথ , মুকুল নাথ , বসন্ত কুমাৰ নাথ আৰু ধৰ্মেশ্বৰী দেউৰী উপস্থিত থকাৰ লগতে মহাবাহুৰ প্ৰাক্তন গাণনিক তোযেশ্বৰ মেধি আৰু বৰ্তমানৰ গাণনিক বিষয়া অভিজত নাথ উপস্থিত থাকে। এই সভাতে মহাবাহুৰ এফপিচিৰ আগন্তুক বৰ্ষৰ ব্যৱসায়ীক পৰিকল্পনাৰ বিষয়টো বিশদভাৱে আলোচনা কৰা হয়।

**পূজাৰ চলিছে প্ৰস্তুতি**

# উৎসৱৰ বতৰ আৰম্ভ, মৃৎ শিল্পীৰ প্ৰান্তে প্ৰান্তে ব্যস্ততা বৃদ্ধি

**ই-সংবাদ, বেৰেজীয়া, ২৮ ছেপ্টেম্বৰঃ** দেহ-মন উজ্জলাই তোলা শৰতৰ উপস্থিতিৰে ধৰাৰ পৰিবেশ মোহনীয় কৰি ৰখাৰ এই সময়খিনি যেন সকলোৰে বাবে বহু আকাংক্ষিত ৰং-ৰহইচৰ বতৰ। কাৰণ এতিয়া আৰম্ভ হৈছে পূজাৰ বতৰ। ঘাইকৈ হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ আধ্যাত্মিক তথা পবিত্ৰতাৰে ভৰা বিভিন্ন প্ৰকাৰৰ পূজা-পাৰ্বনৰ বতৰ। আচলতে পবিত্ৰ ভাদ মাহৰ সংক্ৰান্তি তিথিৰ দিনটোতে প্ৰান্তে প্ৰান্তে আড়ম্বৰপূৰ্ণভাৱে উদযাপিত হোৱা বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজাৰ দ্বাৰাই আনুষ্ঠানিকভাৱে শুভাৰম্ভ ঘটে পূজাৰ বতৰ । উল্লেখ্য, বছৰটোৰ ভাদ মাহৰ মাহজুৰি চলা নাম-কীৰ্তনৰ অন্তত সংক্ৰান্তি তিথিত পালিত বিশ্বকৰ্মা পূজাৰ পৰাই সাধাৰণতে হিন্দু ধৰ্মীয় পূজাসমূহৰ আৰম্ভণি হৈ পৰ্যায়ক্ৰমে পৰম্পৰাগতভাৱে 'দুৰ্গা পূজা', 'লক্ষ্মী পূজা', 'কালী পূজা', 'কাৰ্তিক পূজা', 'মনসা পূজা', 'ছট পূজা', 'গোৱৰ্দ্ধন পূজা', 'জগদ্ধাত্ৰী পূজা', 'শিৱ পূজা' আদি কৰি চ'ত মাহৰ 'গংগা পূজা'লৈকে এটাৰ পিছত এটাকৈ নিৰৱচ্ছিন্নকৈ চলি থাকে বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনা। কাজেই, হিন্দুসকলে পৰম ভক্তিৰে অনুষ্ঠিত কৰা এই পূজা-পাৰ্বনত প্ৰয়োজন হয় আৰাধনাৰ বাবে দেৱ-দেৱীৰ মৃণ্ময় মূৰ্তিৰ। গতিকে বৰ্তমান ভক্তসকলৰ পূজা-অৰ্চনাৰ প্ৰস্তশতিৰ সমান্তৰালকৈ খুব ব্যস্ততা বাঢ়িছে মৃৎ ভাস্কৰ্য শিল্পীসকলৰ। এই শিল্পীসকল দিনে-নিশাই ব্যস্ত হৈ পৰিছে মাটিৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰা দেৱ-দেৱীৰ মূৰ্তিত যেন প্ৰাণ দিবলৈ । আনকি বহু কষ্ট স্বীকাৰ কৰি নানা বাধা-বিঘিনি নেওচি হ'লেও বছৰটোৰ বাৰ মাহে তেৰ পূজাৰ উপযোগীকৈ মৃণ্ময় মূৰ্তি তৈয়াৰ কৰাটোয়েই বৃত্তি হিচাপে বাছি লৈছে এইসকল শিল্পীয়ে আৰু ইয়াৰ পৰা উপাৰ্জিত ধনেৰে পৰিয়াল পোহপাল দিয়াৰ লগতে আপ্ৰাণ চেষ্টাৰে এই মৃৎ ভাস্কৰ্য শিল্পটোক জীয়াই ৰাখিছে।

# ৰঙিয়াত আন্তৰ্জাতিক সুৰক্ষিত গৰ্ভপাত দিৱস পালন

**ই-সংবাদ, ৰঙিয়া, ২৮ ছেপ্টেম্বৰঃ** ভাস্কৰ কলিতা,ৰঙিয়া,২৮ ছেপ্টেম্বৰঃৰঙিয়াৰ মহকুমা অসামৰিক চিকিৎসালয়ত আজি শনিবাৰে আন্তৰ্জাতিক সুৰক্ষিত গৰ্ভপাত দিৱস পালন কৰা হয়। মহকুমা স্বাস্থ্য বিষয়া ডাঃপদ্মেশ্বৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে চিকিৎসালয়খনৰ পৰামৰ্শদাতা অনিমা বেগমে। গৰ্ভপাতৰ পিছত মাতৃৰ সুৰক্ষাৰ বাবে লবলগীয়া যতন আৰু পৰিয়াল পৰিকল্পনা পদ্ধতি সমূহৰ বিষয়ে উদ্দেশ্য ব্যাখ্যা প্ৰসংগত উল্লেখ কৰে পৰামৰ্শদাতাগৰাকীয়ে। স্বাস্থ্য কৰ্মী অমূল্য বৈশ্যই আঁত ধৰা সভাত ৰঙিয়া মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ নীলমণি কলিতা, জ্যেষ্ঠ চিকিৎসক ডাঃ তিলক কুমাৰে ভাষণ ৰাখে। ভাষণ প্ৰসংগত সুৰক্ষিত গৰ্ভপাতৰ বাবে অত্যাধুনিক পদ্ধতি প্ৰয়োগৰ বিপৰীতে পুৰণিকলীয়া পদ্ধতি প্ৰয়োগ নকৰিবলৈ সমবেত লোকসকলক উদ্দেশ্যী আহ্বান জনায় বক্তাসকলে। ডি ই আই চিৰ পৰিচালক অভিজিৎ ভৰালী, নিম্ন বৰ্গৰ সহায়ক গৌতম কলিতা তথা নাৰ্ছ সকলে অংশগ্ৰহণ কৰা সভাখনত বিভিন্ন উপস্বাস্থ্য কেন্দ্ৰত কৰ্মৰত আশা কৰ্মীৰ লগতে হিতাধিকাৰী সকল উপস্থিত থাকে।







**নেপালৰ ভয়ংকৰ বানৰ কেইটামান দৃশ্য**

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৰদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)